জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬৯৬/২০২০

## ৰাজ্যিক উদ্ভাৱনী আৰু ৰূপান্তৰ আয়োগৰ জাৰ্নেল উন্মোচন কৰিলে মুখ্যমন্ত্ৰীয়ে

# ৰাজ্যখনৰ আৰ্থ-সামাজিক সৱলীকৰণৰ দিশত অগ্ৰণী ভূমিকা পালনৰ বাবে ৰাজ্যিক উদ্ভাৱনী আৰু ৰূপান্তৰ আয়োগক আহ্বান মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ২০ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি তেখেতৰ চৰকাৰী বাসভৱনত ৰাজ্যিক উদ্ভাৱনী আৰু ৰূপান্তৰ আয়োগৰ উপাধ্যক্ষ দীপক কুমাৰ বৰঠাকুৰ তথা আয়োগৰ দুগৰাকী উপদেষ্টা ক্ৰমে ড° মৃদুল হাজৰিকা আৰু ড° কে এম বুজৰবৰুৱাৰ উপস্থিতিত আয়োগৰ দ্বাৰা প্ৰকাশ কৰা জাৰ্নেলৰ দ্বিতীয় খণ্ড উন্মোচন কৰে।

"থট্ প্ৰচেছ ঃ পইণ্টছ্ টু প'ণ্ডাৰ" নামৰ আজি উন্মোচন কৰা জাৰ্নেলখনৰ জৰিয়তে পাঠকৰ মাজত সমাজৰ নিম্নস্তৰৰ জনসাধাৰণৰ আৰ্থ-সামাজিক উন্নয়ন তথা তেওঁলোকৰ জীৱনৰ মানদণ্ড উন্নীতকৰণৰ দিশত উদ্ভাৱনীমূলক চিন্তা-চৰ্চা গঢ় দিয়াৰ প্ৰয়াস চলোৱা হৈছে।

ৰাজ্যিক উদ্ভাৱনী আৰু ৰূপান্তৰ আয়োগক তেওঁলোকৰ জাৰ্নেলৰ দ্বিতীয় খণ্ড মুকলি কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে আয়োগৰ উপাধ্যক্ষগৰাকীক ৰাজ্যখনৰ অগ্ৰাধিকাৰৰ খণ্ডসমূহ চিনাক্ত কৰি উন্নয়নৰ ধাৰা ত্বৰান্বিত কৰাৰ দিশত ৰাজ্য চৰকাৰক পাৰদৰ্শী পৰামৰ্শ আগবঢ়োৱাৰ বাবে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে সমগ্ৰ দেশৰ লগতে ৰাজ্যখনতো ক'ভিড-১৯ অতিমাৰীয়ে উন্নয়নৰ গতি কিছু মন্থৰ কৰিছে যদিও এই মন্থৰতাক গতিশীলতালৈ ৰূপান্তৰ কৰাৰ দিশত চৰকাৰক পথ নিৰ্দেশনা প্ৰদানৰ বাবে ৰাজ্যিক উদ্ভাৱনী আৰু ৰূপান্তৰ আয়োগে  অগ্ৰণী ভূমিকা পালন কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে ৰাজ্যিক উদ্ভাৱনী আৰু ৰূপান্তৰ আয়োগক ডিজিটেল সৱলীকৰণ বিশেষকৈ গ্ৰামাঞ্চলত ডিজিটেল সৱলীকৰণৰ পদক্ষেপ ল'বলৈও আহ্বান জনায়। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে ক'ভিড-১৯ এ সৃষ্টি কৰা এই জটিল সময়ত ছাত্ৰ-ছাত্ৰীসকলে পৰম্পৰাগত শিক্ষা ব্যৱস্থাৰ পৰা বঞ্চিত হোৱাৰ পৰিপ্ৰেক্ষিতত ডিজিটেল প্ৰযুক্তিগত শৈক্ষিক ব্যৱস্থাই এক বিকল্প হিচাপে পৰিগণিত হৈছে। মুখ্যমন্ত্ৰীয়ে ৰাজ্যিক উদ্ভাৱনী আৰু ৰূপান্তৰ আয়োগক গ্ৰামাঞ্চলৰ শিক্ষানুষ্ঠানকসমূহক ডিজিটেল প্ৰযুক্তিৰে সৱলীকৰণৰ দিশত পদক্ষেপ লোৱাৰ বাবে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ আৰ্থ-সামাজিক উন্নয়নৰ দিশত উদ্ভাৱনীমলূক পদক্ষেপ লোৱাৰ দিশত অগ্ৰণী ভূমিকা পালন কৰাৰ বাবেও ৰাজ্যিক উদ্ভাৱনী আৰু ৰূপান্তৰ আয়োগক আহ্বান জনায়।

**সুঃদঃ / বঃভাঃ / পুঃডেঃ**
**২০/১০/২০২০**